জাতিৰ সেৱাত উৎসাগিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

২০৫ সংখ্যা, ১৮ ফাগুন, সোমবাৰ, ১৯৪৬শক । DAINIK ASAM : Assamese Daily । VOL. 60 NO. 205 । DIBRUGARH, MONDAY, MARCH 3, 2025 । পৃষ্ঠা ১৬ (Pages 16

## কানৈ মহাবিদ্যালয়ত একেদিনাই ২১ খন প্ৰাচীৰ পত্ৰিকা উন্মোচন




জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২ মাৰ্চ ঃ** 'প্ৰাচীৰ পত্ৰিকা শিক্ষাৰ্থীৰ চিন্তা, গৱেষণা আৰু সৃষ্টিশীলতাৰ ফচল। প্ৰাচীৰ পত্ৰিকাত শিক্ষাৰ্থীৰ অক্লান্ত পৰিশ্ৰম আৰু সৃষ্টিশীলতাই একোখন মহাবিদ্যালয়ৰ চিন্তা-চৰ্চাক বহু উচ্চ শিখৰলৈ লৈ যায়।' কানৈ মহাবিদ্যালয়ত নৃতত্ত্ব বিভাগৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰি কালি মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষগৰাকীয়ে লগতে কয়— 'নৃতত্ত্ব হৈছে মানৱ সমাজ আৰু সংস্কৃতি অধ্যয়নৰ এক অপৰিহাৰ্য বিষয়। যাৰ জৰিয়তে ঐতিহ্য, পৰম্পৰা আৰু সামাজিক গাঁথনিৰ বিষয়ে গভীৰভাৱে বুজিব পাৰে।' নৃতত্ত্ব সমগ্ৰ মানৱ সমাজৰ আচাৰ-আচৰণ, অধ্যয়নৰ বিষয় বুলি উল্লেখ কৰি তেওঁ কয় যে পৃথিৱীত মানুহৰ আচাৰ-আচৰণ, স্বভাৱ-চৰিত্ৰ অধ্যয়ন কৰাটো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। প্ৰাচীৰ পত্ৰিকাত সৃষ্টিশীলতাৰ প্ৰভাৱ স্পষ্ট হয় বুলি উল্লেখ কৰি তেওঁ কয়— ইয়াৰ যোগেদি সাহিত্য, সংস্কৃতি, নেতৃত্ব আৰু দক্ষতা স্পষ্ট হয়। উল্লেখ্য যে মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ 'জ্ঞান মাৰ্গ'ত কালি একেলগে মহাবিদ্যালয়ৰ ২১খন প্ৰাচীৰ পত্ৰিকা মুকলি কৰা হয়। একেলগে, একেঠাইতে, একেদিনাই এইদৰে ২১ খন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰাটো মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথম বুলি বিবেচিত হৈছে। উল্লেখ্য যে প্ৰাচীৰ পত্ৰিকা উন্মোচনীৰ আঁৰত মহাবিদ্যালয়খনৰ আলোচনী আৰু সাহিত্য সম্পাদক গৌৰৱ চুতীয়াই মহাবিদ্যালয়খনৰ সকলো বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকললৈ ধন্যবাদ জ্ঞাপন কৰে।